অসমীয়া জাতি দীৰ্ঘজীৱী হওক

●●● অসমীয়াৰ মনত দোলা দি থকা এটা বিৰক্তিকৰ প্ৰশ্ন হ'ল— শংকৰদেৱৰ নীতি-আদৰ্শসমূহৰ প্ৰচাৰ আৰু প্ৰসাৰত সত্ৰসমূহ কিমানদূৰ সফল হৈছে? বৰ্ণবাদ-জাত্যাভিমান, অন্তঃকন্দল, সামন্ততান্ত্ৰিক চিন্তাধাৰা, ৰাজনৈতিক সুবিধাবাদেৰে ভৰপূৰ সত্ৰসমূহে অসমীয়া জাতিয়ে সন্মুখীন হোৱা সমস্যাসমূহ তথা অসমীয়া সমাজ-সংস্কৃতিক যে শংকৰী আদৰ্শেৰে নেতৃত্ব প্ৰদান কৰিব পৰা নাই, তাক ইতিহাসে স্বীকাৰ কৰিব। অৱশ্যে ব্যতিক্ৰম নিশ্চয় আছে। গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ প্ৰয়াত পীতাম্বৰ দেৱগোস্বামীৰ দৰে প্ৰগতিশীল, বৈপ্লৱিক, উদাৰ সত্ৰাধিকাৰো আছিল আৰু অসমৰ সমাজ-সংস্কৃতি-ৰাজনীতি সকলো দিশতে ৰূপান্তৰৰ নেতৃত্ব বহন কৰিবলৈ সক্ষম হৈছিল ●●●

■ পংকজ বৰা

■ ড° প্ৰীতি সলিলা ৰাজখোৱা

নাগৰিকত্ব সংশোধনী বিধেয়ক সন্দৰ্ভত যুটীয়া সংসদীয় সমিতিৰ দ্বাৰা অনুষ্ঠিত শুনানিত অসম সত্ৰ মহাসভাই হিন্দু বাংলাদেশীক নাগৰিকত্ব প্ৰদানৰ সপক্ষে মত পোষণ কৰা, পৰৱৰ্তী সময়ত অসমত আকাংক্ষিতভাৱেই সৃষ্টি হোৱা হৈ-চৈৰ পৰিপ্ৰেক্ষিততে ওলোটা খৰ মৰা, অসমৰ জাতি-মাটি-ভেটিৰ স্বাৰ্থত চৰকাৰ গঠন কৰি অসমৰ জয়জয়কাৰ গাবলৈ আগুৱাই অহাসকলৰ অসমক বাংলাদেশী মুছলিমৰ পৰা ৰক্ষা কৰিবলৈ বাংলাদেশী হিন্দু সংস্থাপনৰ গাঁজাখুৰী তত্ত্বৰ তাত্ত্বিক সম্মোহিনীৰে মাজে-সময়ে চুচুক-চামাক আৰু মাজে-সময়ে 'শিলাদিত্য' মাৰ্কা সেনাপতি পাতি তৰ্জন-গৰ্জন কৰি আগুৱাই অহা (অন্ততঃ পশ্চিম বংগৰ নিৰ্বাচনৰ আগে আগে হিন্দু বাংলাদেশীক কেন্দ্ৰ কৰি তৰ্জন-গৰ্জন হোৱাটোৱেই স্বাভাৱিক), জাতীয়তাবাদী সংগঠনেৰে নদন-বদন অসমত কোনো 'দেশপ্ৰেমিক অসমীয়া'ৰ নতুন সংগঠন 'অসমীয়াত্ব নহৈ হিন্দুত্ব' হৈ বাংলাদেশত অত্যাচাৰৰ সম্মুখীন হোৱা 'কোঁচ-কলিতা, কেওঁট-বামুণ'কেইটাক ভাৰতত সংস্থাপনৰ বাবে আগুৱাই অহা ঘটনাই অসমৰ জাতীয়তাবাদী সংগঠন (?) কিছুমানৰ জাতীয় স্বাৰ্থৰ নামত চলাই থকা জাতিদ্ৰোহিতা, নেতৃত্বৰ স্বাৰ্থপৰতা, আদৰ্শহীনতা, নগণ্যসংখ্যক আঁতৰত বাখি অসমীয়া ৰাজনৈতিক নেতাবিলাকৰ সকলোধৰণৰ নীতি-আদৰ্শ, জাতীয় স্বাৰ্থ পৰিহাৰ কৰি কেৱল ক্ষমতাৰ বাসনাৰে দিল্লীৰ আজ্ঞাবাহী হিচাপে কাম কৰাৰ নীচ প্ৰকৃতি, ব্যক্তি স্বাৰ্থ পূৰণৰ বাবে তেজপিয়াৰ দৰে বং সলোৱা কিছু অসমীয়াৰ কাণ্ড-কাৰখানাই জাতিটোৰ অস্তিত্ব সম্পৰ্কত কিছুমান কথা পুনৰ ভবাই তুলিছে। অৱশ্যে আন দিশসমূহ বাদ দি অসম সত্ৰ মহাসভা বা তাৰ নেতৃত্বৰ হিন্দু বাংলাদেশীকেন্দ্ৰিক স্থিতি, অসমৰ সত্ৰ অনুষ্ঠানসমূহৰ স্থিতি, অসমৰ বৃহত্তৰ স্বাৰ্থৰ লগত জড়িত বিষয়সমূহত সত্ৰৰ ভূমিকা আৰু ইয়াৰ ঐতিহাসিক প্ৰেক্ষাপট বিচাৰ কৰাই আজিৰ এই লেখাৰ উদ্দেশ্য।

সমাজ ব্যৱস্থা এটাৰ পৰিৱৰ্তন আৰু স্থিতিশীলতা দুয়োটা দিশেই যদিও পৰস্পৰবিৰোধী, ধৰ্মই বিশেষ প্ৰভাৱিত কৰে। ধৰ্মই ৰাষ্ট্ৰযন্ত্ৰ একোটাক নৈতিক খিতাপী আৰু সামাজিক আদান-প্ৰদান বা দৃষ্টি আৰু জ্ঞান সম্পৰ্কীয় আনুষ্ঠানিক দৰ্শন প্ৰদান কৰে। ঠিক সেইদৰে সামাজিক বিধি-ব্যৱস্থাৰ পৰিৱৰ্তন আৰু ৰাজনৈতিক শক্তিৰ পৰিৱৰ্তনেও ধৰ্মক প্ৰভাৱিত কৰে। মাৰ্ক্সীয় দৃষ্টিভংগীৰে যদিও শাসক আৰু শাসিতৰ মাজৰ সম্পৰ্কটো দ্বন্দ্বহীনভাৱে চলাই নিয়াতহে ধৰ্মই বিশেষ ভূমিকা পালন কৰে বুলি ভবা হয়, তথাপি শোষণনিৰ্ভৰ সমাজ ব্যৱস্থাৰ বিপক্ষে ধৰ্মই যুঁজ দি সমাজ ব্যৱস্থাটোৰ ৰূপান্তৰ ঘটোৱা বহু উদাহৰণ ইতিহাসে দাঙি ধৰে। মেক্স ৱেবাৰে 'The Protestant Ethic and Spirit Capitalism' গ্ৰন্থত ইউৰোপৰ উত্তৰভাগৰ পুঁজিবাদৰ বিকাশত ধৰ্মৰ প্ৰভাৱৰ কথা বিশ্লেষণ কৰিছে। অসমত শংকৰদেৱে সৃষ্ট নৱবৈষ্ণৱ আন্দোলনো ইয়াৰ এক উৎকৃষ্ট উদাহৰণ। সামাজিক অন্যায়-নিপীড়ন আৰু বিশৃংখল সমাজ ব্যৱস্থাটোক সুষমতা, সাংস্কৃতিক মতাদৰ্শ আৰু সমতাৰ আধাৰ দি শংকৰদেৱেই জাতিটোক ভৱিষ্যতৰ বাট দেখুৱালে। ড° হীৰেন গোহাঁয়ে লিখিছে (শংকৰদেৱ আৰু তেওঁৰ সময় (২), সাতসৰী, এপ্ৰিল সংখ্যা, ২০১৮)— 'ব্ৰাহ্মণ্য হিন্দু ধৰ্মৰ মূলৰ ভিত্তি হৈছে এনে এক সমাজ ব্যৱস্থা, য'ত স্থায়ীভাৱে স্তৰীভূত স্থানত বৈষম্যমূলকভাৱে বিভিন্ন জাতি-সম্প্ৰদায়ক বিন্যস্ত কৰা হয়, আৰু নিপীড়নৰ কোনো প্ৰতিকাৰ নাই।' কিন্তু ইয়াৰ প্ৰতিকাৰৰ বাবেই শংকৰদেৱে ভাগৱতৰ 'যি অনুবাদ কৰিলে তাৰ এঠাইত ইচ্ছাকৃতভাৱেই মূল ভাগৱতৰ মানৱীয় উদাৰতাতকৈ তেওঁ বহুদূৰ আগুৱাই গ'ল আৰু ঘোষণা কৰিলে যে কলিযুগত জাতিগত দোষ-ত্ৰুটি সত্ত্বেও যদি কোনো জাতিয়ে নিষ্ঠাৰে হৰিনাম লয়, সেই জাতিয়ে আন সকলো জাতিতকৈ উচ্চস্থান অৰ্জন কৰে।' শাসকৰ অন্তহীন আকাংক্ষা আৰু তাক চাৰিতাৰ্থ কৰাৰ বাবে প্ৰজাই সন্মুখীন হোৱা নিষ্পেষণ 'হাহাকাৰ আৰু ক্ৰন্দনৰ ৰোলৰ সমিধান হিচাপে তেওঁ আগবঢ়াইছিল এনে এক বিশ্বজনীন সু-সমাচাৰ, যি সাধাৰণ মানুহক বৈষয়িক পৰাক্ৰম আৰু লুণ্ঠনৰ এনে নিৰ্বোধ প্ৰতিপত্তি সহ্য কৰাৰ মনোবল আৰু উপেক্ষা কৰাৰ সাহস গোটাইছিল।' আচৰিত নহয় যে এই বাণীৰ পৰা সাহস আৰু আত্মবিশ্বাস আহৰণ কৰা নিপীড়িত জাতিৰ প্ৰজাসকলে আহোম ৰাজত্ব ব্ৰাহ্মণ্য হিন্দুধৰ্মৰ প্ৰধান পৃষ্ঠপোষক হৈ পৰা কালত অমিত বিক্ৰমেৰে ৰাজশক্তিৰ বিৰুদ্ধে অস্ত্ৰ ধাৰণ কৰি তাৰ ভিত্তি মূলপৰ্যন্ত লৰাই দিছিল।' এই নৱবৈষ্ণৱ আন্দোলনৰেই অন্যতম অৱদান সত্ৰ অনুষ্ঠানসমূহৰ মুৰব্বীয়ে যেতিয়া 'লুইতপৰীয়া হিন্দু সমাৰেশ'ত গুজৰাটী-উত্তৰ প্ৰদেশীয় মাৰ্কা হিন্দুত্বৰ মন্ত্ৰ আওৱাব লগা হয় বা সত্ৰত 'হিন্দু একতা সভা' পাতি বাটচ'ৰাত ৰোৱাৰ লগাই ভকত-বৈষ্ণৱক আমন্ত্ৰণ জনাব লগা হয় বা আৰ এছ এছৰ লাঠী লোৱা নেতাৰ সম্মুখত বাধ্য ছাত্ৰৰ দৰে বহি ধৰ্ম জ্ঞান ল'ব লগা হয় বা সত্ৰ মহাসভাৰ পেডত সত্ৰ মহাসভাৰ নেতৃত্বই হিন্দু বাংলাদেশীৰ সংস্থাপনৰ মত পোষণ কৰি স্মাৰক-পত্ৰ দিব লগা হ'ল, তেতিয়াই সত্ৰ অনুষ্ঠানসমূহৰ কাম-কাজৰ পুংখানুপুংখ বিশ্লেষণ পুনৰ জৰুৰী হৈ পৰে।

সমগ্ৰ নৱবৈষ্ণৱ আন্দোলনটোৰেই কাণ্ডাৰী অনুষ্ঠান সত্ৰসমূহে বা সত্ৰসমূহৰ কিছুসংখ্যকে যে বৃহত্তৰ অসমীয়া জাতীয় স্বাৰ্থ জলাঞ্জলি দি ৰজাঘৰৰ আজ্ঞাবাহী অনুষ্ঠান হিচাপে কাম কৰিছে বা আৰ এছ এছৰ মন্ত্ৰণাৰে শংকৰদেৱৰ ধ্যান-ধাৰণাতকৈ এখোপ চাৰি বৃহত্তৰ হিন্দু একতা সংস্থাপনৰ কামত দেহে-কেহে লাগিছে, ই এক সাময়িক উত্তেজনা বা বিক্ষিপ্ত ঘটনা নহয়। শাসক শ্ৰেণীৰ লগত সু-সম্পৰ্কেৰে নিজৰ ক্ষমতা-প্ৰতিপত্তি বৃদ্ধি কৰিবলৈ সদা-যত্নপৰ বেছিসংখ্যক সত্ৰই আহোম ৰাজত্ব, ব্ৰিটিছ শাসন বা স্বাধীনোত্তৰ কালত কোনো সময়তে শাসকগোষ্ঠীৰ লগত সম্পৰ্কৰ মৌলিক প্ৰকৃতিত কোনো পৰিৱৰ্তন নঘটিল। স্বৰ্গদেউ প্ৰতাপ সিংহৰ (১৬০৩-১৬৪১) দিনত ঠন ধৰি উঠা, বিশেষভাৱে বাহ্মসংহতিৰ উত্থান আৰু পৰৱৰ্তী সময়ত স্বৰ্গদেউ জয়ধ্বজ সিংহৰ (১৬৪৮-১৬৬৩) দিনত ৰাজকীয় ৰণ্ডণিৰে সত্ৰ এক ৰাজকীয় অনুষ্ঠানলৈ ৰূপান্তৰিত হয়। আনকি সত্ৰ-শাসকৰ সম্পৰ্কটো এনে এক পৰ্যায়লৈ উন্নীত হ'ল যে প্ৰত্যেকজন আহোম স্বৰ্গদেৱেই সিংহাসনত আৰোহণ কৰাৰ পিছত মূল সত্ৰকেইখন বিশেষকৈ আউনীআটী, দক্ষিণপাট আৰু গড়মূৰ সত্ৰলৈ যোৱাটো এক অলিখিত নিয়মত পৰিণত হৈছিল আৰু ঠিক সেইদৰে এই প্ৰধান সত্ৰসমূহৰ সত্ৰাধিকাৰ সকলো ৰাজঅভিষেক অনুষ্ঠানৰ মুখ্য অতিথি আছিল। পুনৰ কওঁ যে ক্ষমতানিৰ্ভৰশীল এই সম্পৰ্কটো শ শ বছৰ ধৰি অতিক্ৰম কৰাৰ পিছতো সামান্য ৰূপান্তৰৰ মাজেদি প্ৰকৃতিৰ কোনো পৰিৱৰ্তন নোহোৱাকৈ একেদৰেই চলি থাকিল।

উল্লেখ্য, যি নৱবৈষ্ণৱ আন্দোলনৰ পৰাই সাহস আৰু আত্মবিশ্বাস আহৰণ কৰি আহোম ৰাজত্ব প্ৰজাবিদ্বেষী আৰু ব্ৰাহ্মণ্য হিন্দুধৰ্মৰ একান্ত পৃষ্ঠপোষক হৈ পৰা কালত কালসংহতিৰ (মোৱামৰীয়া) মায়ামৰা সত্ৰৰ নেতৃত্বত মূলতঃ নিপীড়িত জাতিৰ প্ৰজাবৰ্গই যুদ্ধৰ ঘোষণা কৰিছিল, তেতিয়াও সেই একে (মূল) আদৰ্শৰেই প্ৰতিষ্ঠিত ৰজাঘৰীয়া সত্ৰসমূহৰ ভূমিকা আছিল বিপৰীতধৰ্মী। উল্লেখ্য, ব্ৰিটিছ শাসনৰ সময়ছোৱাতো দুই-এক সত্ৰাধিকাৰক বাদ দি এই প্ৰকৃতিৰ কোনো পৰিৱৰ্তন নঘটিল। স্বাধীনোত্তৰ সময়ছোৱাতো এই সম্পৰ্কটো একেই থাকিল আৰু শেহতীয়াভাৱে চৰকাৰৰ অভিষেক অনুষ্ঠানত সত্ৰাধিকাৰসকলৰ সক্ৰিয় অংশগ্ৰহণ বা কোনো হিন্দুত্ববাদী অনুষ্ঠানৰ আদৰ্শ প্ৰচাৰ কৰিবলৈ উঠি-পৰি লগা কাৰ্যই অনিচ্ছা সত্ত্বেও ইতিহাস সুঁৰৰিবলৈ বাধ্য কৰালে।

সত্ৰত বাংলাদেশীৰ প্ৰৱেশ— এ দেখহঃ শুনহঃ নিৰন্তৰে

এইখিনিতে কওঁ যে এই অভাজন ৭২৯ বিঘা ভূ-সম্পত্তিৰ গৰাকী লখিমপুৰ জিলাৰ, সত্ৰ মহাসভাই দাঙি ধৰা তথ্য মতে 'অবৈধ বাংলাদেশী মুছলমানে কৰা হত্যা-ধৰ্ষণ, লুণ্ঠনৰ ফলস্বৰূপে ভকত-বৈষ্ণৱ পলায়ন কৰিব লগা হোৱা' বৰ এলেঙী সত্ৰতেই জন্মগ্ৰহণ কৰি ডাঙৰ-দীঘল হৈছোঁ আৰু বৰ্তমানৰো স্থায়ী ঠিকনা এই বৰ এলেঙী সত্ৰই। উল্লেখ্য, অসম আন্দোলনৰ সময়ৰ পৰা ২০১৪ চনপৰ্যন্ত অসমীয়াৰ বজাৰত আটাইতকৈ বেছি বিক্ৰী হোৱা শব্দ যেনেদৰে 'বাংলাদেশী' আছিল, ঠিক সেইদৰে ২০১৪ চনৰ পৰৱৰ্তী সময়ত ইয়াৰ সম্মুখত মুছলিম-হিন্দু শব্দটো লগাই ইয়াক বিক্ৰীৰ অধিক উপযোগী কৰি তুলিছে। বিভিন্ন প্ৰপাগণ্ডামূলক প্ৰচাৰৰ জৰিয়তে এনে এক পৰিস্থিতিৰ সৃষ্টি হ'ল যে অসমৰ হাবি-বনানি-বাস্তা-পদুলিয়ে বেদখল কৰা মুছলিম বাংলাদেশীৰ কবলৰ পৰা জাতিটোক উদ্ধাৰ কৰিব হিন্দু বাংলাদেশীৰ সংস্থাপনেহে। প্ৰত্যেক সময়তে এনে এক চিত্ৰ অংকন কৰা হৈছে যে সত্ৰৰ দৰে পৰিত্ৰ অনুষ্ঠানবিলাকতে বাংলাদেশী মিঞাৰ প্ৰৱেশ আৰু বেদখল হ'ল যেতিয়া জাতিটোৰ বিপদ অনিবাৰ্য আৰু জাতিটোক এই বিপদৰ পৰা ৰক্ষা কৰিবৰ বাবে সত্ৰ মহাসভাৰ পেডত স্মাৰক-পত্ৰ দি আহ্বান জনাইছে মুছলিম বাংলাদেশীক খেদাই হিন্দু বাংলাদেশীক সংস্থাপন কৰিবলৈ। জাতি-সংস্কৃতিৰ ৰক্ষাৰ কি চমৎকাৰ তত্ত্ব! জাতি-সংস্কৃতি ৰক্ষাৰ এই চমৎকাৰী তত্ত্বৰ উত্তেজনাত আমি বেদখলীকৰণৰ লগত জড়িত কিছু ঐতিহাসিক সত্য লুকুৱাই ৰাখি কেনেদৰে কোনো সাম্প্ৰদায়িক শক্তিৰ আঙুলিৰ ঠাৰত নাচিছোঁ, তাৰ বাবে দুই-এটা কথাত মনোনিৰেশ কৰিব লাগিব।

উল্লেখ্য, মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰলৈ ড° হীৰেন গোহাঁয়ে 'আমাৰ অসম' কাকতৰ যোগেদি ১৪/১০/১৬ তাৰিখে প্ৰেৰণ কৰা মুকলি চিঠিত লিখিছে— "স্বাধীনতাৰ দহ বছৰৰ পিছতে ১৯৫৮ চনৰ ২৫ ছেপ্টেম্বৰত অসম চৰকাৰৰ ৰাজহ বিভাগে যি ভূমি নীতিবিষয়ক প্ৰস্তাৱ গ্ৰহণ কৰিছিল, তাতেই স্পষ্ট হৈছিল যে ১৯৫১ চনৰ লোকপিয়ল মতে ৰাজ্যৰ (নেফা আৰু স্বায়ত্তশাসিত জিলাবোৰ বাদ দি) জনসংখ্যাৰ শতকৰা ১৫জন সম্পূৰ্ণ ভূমিহীন আৰু শতকৰা ৫২জন দহ বিঘাতকৈ কম খেতিৰ মালিক। এই পৰিস্থিতি সংকটজনক কৰি তুলিছিল পূৰ্ব পাকিস্তানৰ পৰা অহা ৫ লাখ শৰণাৰ্থীৰ জনস্ৰোতে আৰু ১৯৫০ৰ ভূমিকম্পই...। গ্ৰাম্য অৰ্থনীতিৰ বাবে অপৰিহাৰ্য চৰণীয়া পথাৰ আৰু পৰিৱেশ-তন্ত্ৰৰ বাবে প্ৰয়োজনীয় বনাঞ্চলত ইতিমধ্যে ব্যাপক বেদখল হৈছিল... ১৯৬৮ চনৰ ভূমি নীতিবিষয়ক প্ৰস্তাৱত ১৯৩৩-৬৪ চনত পূৰ পাকিস্তানৰ পৰা অহা বিপুলসংখ্যক শৰণাৰ্থীক সংস্থাপন দিবলৈ আৱশ্যকীয় বনাঞ্চললৈ বৃহৎ অংশ সংৰক্ষণৰ পৰা মুকলি কৰা হ'ল বুলি উল্লেখ কৰা হৈছে। ১৯৭২ আৰু ১৯৮৯ চনৰ প্ৰস্তাৱত বাংলাদেশৰ মুক্তি-যুদ্ধই অসমলৈ বোৱাই অনা শৰণাৰ্থীৰ ধলৰ কোনো উল্লেখ নাই'... '১৯৭২ চনৰ ভূমি নীতিবিষয়ক প্ৰস্তাৱত একেবোৰ কাৰণতে তীব্ৰ ভূমি সংকট উদ্ভৱ হোৱা বুলি কোৱা হৈছে'... উক্ত ভূমি নীতি সম্পৰ্কীয় প্ৰস্তাৱবোৰত মঠ-মন্দিৰ, সত্ৰ আদি দাতব্য অনুষ্ঠানৰ মাটি চৰকাৰে অধিগ্ৰহণ কৰাৰ কথা উল্লেখ কৰা হৈছে। সেই অধিগ্ৰহণৰ সময়ত সত্ৰ আদি অনুষ্ঠানে উপযুক্ত ক্ষতিপূৰণ পাইছিল।" উল্লেখ্য, চৰকাৰে অধিগ্ৰহণ কৰি ভূমিহীনক বিলাই দিয়া মাটিত যদি বেদখলীকৰণৰ নতুন সূত্ৰ আৰম্ভ হৈছে, সি নিশ্চয় চিন্তাৰ বিষয়। সত্ৰৰ মাটি বেদখলীকৰণৰ সন্দৰ্ভত সদ্যসমাপ্ত অসম বিধানসভাৰ অধিৱেশনত গৃহ বিভাগবো দায়িত্বত থকা সৰ্বানন্দ সোণোৱালৰ তথ্যয়ো অসমৰ সত্ৰসমূহৰ বৃহৎসংখ্যক মাটি মুছলিম বেদখলৰ অমূলক ধাৰণা নস্যাৎ কৰিছে।

এতিয়া আহোঁ আমাৰ জন্মভূমি বৰ এলেঙী সত্ৰৰ ভূমি (মঠ সম্পত্তিৰ পৰিমাণ ৭২৯ বিঘা) মুছলিম লোকে দখল কৰি সত্ৰাধিকাৰ-ভকতক হত্যা কৰাৰ লগতে বলাৎকাৰ, ডকাইতি, লুটপাত চলোৱা বুলি সত্ৰ মহাসভাৰ স্মাৰক-পত্ৰ সন্দৰ্ভত প্ৰথমেই কওঁ যে বৰ এলেঙী সত্ৰৰ পূব-পশ্চিম, উত্তৰ-দক্ষিণ চাৰিওদিশৰ তিনিওটা দিশত প্ৰায় আঠ-ন কিলোমিটাৰ আৰু এটা দিশত তিনি-চাৰি কিলোমিটাৰপৰ্যন্ত কোনো মুছলিম বসতি নাই। বেদখল হোৱা দূৰৰ কথা। বিধানসভাৰ ৰাজহ বিভাগৰ তথ্যত তাৰেই প্ৰমাণ হয়। গতিকে, এনে কিছু কিম্ভূত-কিমাকাৰ-মিথ্যাচাৰৰ আশ্ৰয় লৈ অসমত হিন্দু বাংলাদেশী সংস্থাপনৰ এক বৃহৎ ষড়যন্ত্ৰৰ ওকালতি কৰা সত্ৰাধিকাৰ, সত্ৰৰ নেতৃত্বৰ কোনো অনুষ্ঠান বা কোনো অসমীয়াৰ কাৰ্যকলাপক সচেতন অসমীয়া ৰাইজে সময়োচিত বিচাৰ নকৰিলে অসমীয়া জাতিৰ অস্তিত্ব নিশ্চয় বিপদাপন্ন হ'ব।

যোৱা বহু বছৰ ধৰি অসমীয়াৰ মনত দোলা দি থকা এটা বিৰক্তিকৰ প্ৰশ্ন হ'ল— শংকৰদেৱৰ নীতি-আদৰ্শসমূহৰ প্ৰচাৰ আৰু প্ৰসাৰত সত্ৰসমূহ কিমানদূৰ সফল হৈছে? বৰ্ণবাদ-জাত্যভিমান, অন্তঃকন্দল, সামন্ততান্ত্ৰিক চিন্তাধাৰা, ৰাজনৈতিক সুবিধাবাদেৰে ভৰপূৰ সত্ৰসমূহে অসমীয়া জাতিয়ে সন্মুখীন হোৱা সমস্যাসমূহ তথা অসমীয়া সমাজ-সংস্কৃতিক যে শংকৰী আদৰ্শেৰে নেতৃত্ব প্ৰদান কৰিব পৰা নাই, তাক ইতিহাসে স্বীকাৰ কৰিব। অৱশ্যে ব্যতিক্ৰম নিশ্চয় আছে। গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ প্ৰয়াত পীতাম্বৰ দেৱগোস্বামীৰ দৰে প্ৰগতিশীল, বৈপ্লৱিক, উদাৰ সত্ৰাধিকাৰো আছিল আৰু অসমৰ সমাজ-সংস্কৃতি-ৰাজনীতি সকলো দিশতে ৰূপান্তৰৰ নেতৃত্ব বহন কৰিবলৈ সক্ষম হৈছিল। দুই-এখন সত্ৰই বৰ্তমানো শংকৰী আদৰ্শ বৰ্তাই ৰখাত অহোপুৰুষাৰ্থ কৰি আছে। উল্লেখ্য, আমি আমাৰ গৱেষণাৰ সময়ছোৱাত অসমৰ কিছুসংখ্যক সত্ৰাধিকাৰৰ লগত হোৱা কথা-বতৰাত দেখা পোৱা সামন্তবাদী মধ্যযুগীয় ধ্যান-ধাৰণা তথা জাত্যভিমানে যেনেদৰে আমাক ৰিৰক্ত কৰিছিল, ঠিক তেনেদৰে বৰপেটা সত্ৰৰ তদানীন্তন সত্ৰীয়া শ্ৰী বশিষ্ঠ দেৱগোস্বামীৰ গণতান্ত্ৰিক উদাৰ দৃষ্টিভংগীয়ে আমাৰ মনত আশাৰ সঞ্চাৰো কৰিছিল। নিজে সত্ৰ এখনত জন্মগ্ৰহণ কৰি ডাঙৰ-দীঘল হোৱা অভিজ্ঞতাৰে পিছে এই আশা এপাচি শাকত এটা জলকীয়াৰ দৰেহে যেন লাগে।

অবৈধ বিদেশীৰ সমস্যাই যে অসম আৰু অসমীয়াক অস্তিত্বৰ সংকটলৈ ঠেলি দিছে, সেইটো কোনো নতুন বিতৰ্কৰ বিষয় নহয়। ছবছৰীয়া আন্দোলন, প্ৰায় ত্ৰিছ বছৰীয়া যুঁজ-বাগৰৰ অন্তত আৰম্ভ হৈ ইতিমধ্যে খচৰা তালিকা প্ৰকাশ কৰা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী প্ৰস্তুতকৰণৰ কাৰ্যক অসমৰ সৰ্বস্তৰৰ ৰাইজে আদৰণি জনাইছে। অৱশ্যে ইয়াৰ পৰৱৰ্তী সময়ত উদ্ভৱ হ'ব পৰা সমস্যাসমূহ বিশ্লেষণ কেনেদৰে হৈছে আমি নাজানো।

এনে এক সন্ধিক্ষণতে ধৰ্মৰ ভিত্তিত বিদেশীক নাগৰিকত্ব প্ৰদান, নাগৰিকপঞ্জীৰ ভিত্তি ধৰ্ম আদিৰ নতুন নতুন ব্যাখ্যাৰে সমগ্ৰ কাৰ্যাৱলীক অমূলক কৰাৰ যি এক ষড়যন্ত্ৰ চলিছে, সেই ষড়যন্ত্ৰ সফল হ'লে জাতিটোৰ অস্তিত্ব যে এক ভয়ংকৰ বিপদৰ মুখামুখি হ'ব, সেইটো নিশ্চিত। প্ৰত্যেকজন অসমীয়াই অসমত থকা সকলো অবৈধ বিদেশীৰ চিনাক্তকৰণ আৰু বহিষ্কৰণ বিচাৰে। তাত জাত-পাত, ধৰ্মৰ কথা নাই। প্ৰত্যেকজন অসমীয়াই অসমৰ হাবি-বনানি, চৰ-চাপৰি, মঠ-মন্দিৰ য'ত যিমান বেদখল হৈছে— তাৰ উদ্ধাৰ হোৱাটো বিচাৰে। অৱশ্যে তাৰ আগতে সেয়া বেদখল নে চৰকাৰে কোনো সময়ত সংস্থাপন কৰা সেই কথা নিশ্চিত হ'ব লাগিব। ভাল লগা কথা যে আমাৰ অসমৰ সৰ্বস্তৰৰ জনসাধাৰণে হিন্দু বাংলাদেশী সংস্থাপন সম্পৰ্কীয় নাগৰিকত্ব সংশোধনী বিধেয়ককৰ জোৰদাৰ বিৰোধিতা কৰিছে। বৰ্তমানলৈকে মৌনব্ৰত পালন কৰি থকা অসমৰ বঙালী সমাজেও এই সন্দৰ্ভত স্থিতি স্পষ্ট কৰি নিজৰ পৰিচয় দাঙি ধৰাৰ সময় সমাগত। লাচিত-চিলাৰায়ৰ দেশৰ বুলি দম্ভালি মাৰি ফুৰা অসমীয়া ডেকাসকলেও তিনিমহীয়া ব'হাগ বিহুৰ বাবে গাড়ী ৰখাই চান্দা তোলাটো কেইদিনমানৰ বাবে স্থগিত ৰাখি অসমীয়াৰ অস্তিত্বৰ গভীৰ সংকটৰ এই সময়ছোৱাত কিছু কথা নতুনকৈ ভাবি চোৱা দৰকাৰ। এশ তিনি বছৰীয়া অসম সত্ৰ মহাসভা বা পাঁচশ-ছশ বছৰীয়া সত্ৰসমূহেও ক্ষুদ্ৰ স্বাৰ্থ পৰিহাৰ কৰি জাতীয় সংকটৰ এই সময়ত নতুন চিন্তাৰে নিজৰ দায়িত্ব পালন কৰিবলৈ আগবাঢ়ি অহাৰ সময় সমাগত। তাকে নহ'লে কিছু বছৰৰ পিছত অসমীয়া জাতিৰ কল্যাণ কামনাৰ্থে পৰমেশ্বৰক মাথোঁ আহ্বান জনাব পাৰিব—

'অসমীয়া জাতিৰ আয়ুসচুলি বৃদ্ধি হওক
জয় হৰি বোলা, জয় ৰাম বোলা।'

ফোন ঃ ৯৭০৬৯-৭০২৫৬